# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-12-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতিৰ জৰিয়তে চৰকাৰে শীঘ্ৰেই সন্ত্ৰাসমুক্ত জম্মু আৰু কাশ্মীৰৰ লক্ষ্যত উপনীত হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

২। সংসদ ভৱনৰ কোনো প্ৰৱেশদ্বাৰতে ৰাজনৈতিক দল অথবা সাংসদৰ দলে ধৰ্ণা বা বিক্ষোভ প্ৰদৰ্শন কৰিব নোৱাৰিব বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কঠোৰভাৱে নিৰ্দেশ জাৰি কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ব্যতিক্ৰমী মত বিনিময় অনুষ্ঠান পৰীক্ষা পে চৰ্চাৰ অষ্টম সংস্কৰণ অহা মাহত অনুষ্ঠিত হ'ব।

৪। বিদেশ সচিব বিক্ৰম মিশ্ৰী আজিৰে পৰা তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে মৰিছাছলৈ যাব।

*আৰু*

৫। মহিলাৰ টি-টুৱেণ্টি ক্ৰিকেটত তিনিখনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ভাৰতে ৱেষ্ট ইণ্ডিজক ৬০ ৰানৰ ব্যৱধানত পৰাস্ত কৰি ২-১ ফলাফলেৰে শৃংখলা দখল কৰে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতিৰ জৰিয়তে চৰকাৰে শীঘ্ৰেই সন্ত্ৰাসমুক্ত জম্মু আৰু কাশ্মীৰৰ লক্ষ্যত উপনীত হ'ব আৰু ইয়াৰ বাবে সকলো ধৰণৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নতুন দিল্লীত অনুষ্ঠিত এখন উচ্চ পৰ্যায়ৰ নিৰাপত্তা বৈঠকত সভাপতিত্ব কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই কথা সদৰী কৰে। তেওঁ কয়, যে মোদী চৰকাৰে নিৰাপত্তা বাহিনীৰ সৈতে যুটীয়া প্ৰচেষ্টাৰে জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদী সমস্যা সম্পূৰ্ণ ৰূপে নিৰ্মূল কৰাৰ বাবে বদ্ধ পৰিকৰ। জম্মু-কাশ্মীৰৰ বিধানসভা আৰু লোকসভা নিৰ্বাচনত জনসাধাৰণৰ অংশগ্ৰহণে দেশৰ গণতন্ত্ৰৰ ওপৰত তেওঁলোকৰ বিশ্বাসক প্ৰতিফলিত কৰিলে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীশ্বাহে সন্ত্ৰাসবাদী কাৰ্যকলাপ আৰু অনুপ্ৰৱেশ ৰোধ কৰা কাৰ্য চকুত লগাকৈ কম হোৱা তথা সন্ত্ৰাসবাদী সংগঠনত যুৱকসকলৰ যোগদান বন্ধ কৰাৰ ক্ষেত্ৰত নিৰাপত্তা সংস্থাসমূহৰ প্ৰচেষ্টাৰ শলাগ লয়। তেওঁ কয়, যে মোদী চৰকাৰৰ সহযোগিতামূলক প্ৰচেষ্টাৰ ফলত জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদৰ ব্যৱস্থাটোৰ প্ৰায় অন্ত পৰিছে। তেওঁ লগতে সকলো নিৰাপত্তা সংস্থাকে সন্ত্ৰাসবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ ক্ষেত্ৰত সহযোগিতাৰে কাম কৰি যাবলৈ নিৰ্দেশ দিয়ে।

00000

সংসদ ভৱনৰ কোনো প্ৰৱেশদ্বাৰত কোনো ৰাজনৈতিক দল, সাংসদ অথবা সাংসদৰ দলে ধৰ্ণা আৰু বিক্ষোভ প্ৰদৰ্শন কৰিব নোৱাৰিব বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কঠোৰভাৱে নিৰ্দেশ জাৰি কৰিছে।

কালি সংসদ ভৱনৰ চৌহদত প্ৰতিবাদৰ সময়ত কংগ্ৰেছ আৰু বিজেপি সাংসদসকলে ইজনে-আনজনক ঠেলি দিয়াৰ ফলত দুজন সাংসদ আহত হোৱাৰ লগতে চিকিৎসালয়ত ভৰ্তি হোৱাৰ পাছতে এই নিৰ্দেশ জাৰি কৰা হৈছে।

০০০০০

দিল্লী আৰক্ষীয়ে বিজেপিৰ অভিযোগৰ ভিত্তিত কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে।

বিজেপিৰ সাংসদ অনুৰাগ সিং ঠাকুৰে সহযোগী সাংসদ বনচুৰি স্বৰাজ আৰু হেমাংগ যোশীৰ সৈতে সংসদ ষ্ট্ৰীট আৰক্ষী থানাত কালি লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। ভাৰতীয় ন্যায় সংহিতাৰ ১০৯, ১১৫, ১১৭, ১২৫, ১৩১ আৰু ৩৫১ নম্বৰ ধাৰাৰ অধীনত এই গোচৰ ৰুজু কৰা হৈছে। উল্লেখযোগ্য যে, সংসদ ভৱন চৌহদত কালি শাসকীয় বিজেপি আৰু বিৰোধী উভয়ে পৰস্পৰৰ বিৰুদ্ধে সুকীয়াকৈ কৰা প্ৰতিবাদৰ মাজতে বিজেপিৰ সাংসদ প্ৰতাপ সাৰংগী আহত হয়। শাসকীয় পক্ষই কংগ্ৰেছৰ সাংসদসকলে বিজেপিৰ সাংসদজনক আক্ৰমণ কৰিছিল বুলি অভিযোগ তোলাৰ লগতে বিৰোধী নেতাগৰাকীয়ে শাৰীৰিকভাৱে কৰা আচৰণত অসন্তুষ্টি ব্যক্ত কৰে। ইয়াকে লৈ পাছত বিজেপিৰ অভিযোগৰ ভিত্তিত দিল্লী আৰক্ষীয়ে কংগ্ৰেছ নেতাগৰাকীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ব্যতিক্ৰমী মত বিনিময় অনুষ্ঠান পৰীক্ষা পে চৰ্চাৰ অষ্টম সংস্কৰণ অহা মাহত অনুষ্ঠিত হ'ব। ইয়াৰ বাবে  ইতিমধ্যে মাই গভ পৰ্টেলত পঞ্জীয়ন আৰম্ভ হৈছে আৰু ১৪ জানুৱাৰী পঞ্জীয়নৰ অন্তিম দিন। পৰীক্ষা পে চৰ্চা কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰী, শিক্ষক তথা অভিভাৱকসকলৰ পৰীক্ষাৰ চাপ হ্ৰাস কৰি জীৱনটো এটা উৎসৱ হিচাপে পালন কৰিবলৈ উৎসাহিত কৰে। শিক্ষা মন্ত্ৰালয়ৰ এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি এই কাৰ্যসূচীৰ অধীনত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকসকলৰ বাবে বিবিধ বিকল্প প্ৰশ্ন হিচাপে এলানি কুইজ প্ৰতিযোগিতাৰ ব্যৱস্থা কৰা হৈছে। পঞ্জীয়নৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে প্ৰধানমন্ত্ৰীক সুধিব বিচৰা পৰীক্ষাৰ চাপ, কেৰিয়াৰ, ভৱিষ্যতৰ  আঁচনি অথবা জীৱন সন্দৰ্ভত যিকোনো ধৰণৰ প্ৰশ্নসমূহ জমা দিব পাৰিব।

০০০০০

বিদেশ সচিব বিক্ৰম মিশ্ৰী আজিৰে পৰা তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে মৰিছাছলৈ যাব। মৰিছাছত প্ৰধানমন্ত্ৰী নবীনচন্দ্ৰ ৰামগুলামৰ নেতৃত্বত নতুন চৰকাৰ গঠনৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে ভাৰত আৰু মৰিছাছৰ মাজত উচ্চ পৰ্যায়ৰ দ্বিপাক্ষিক বৈঠক অনুষ্ঠিত হ'ব। এই ভ্ৰমণত দুয়োখন দেশৰ মাজত উচ্চ পৰ্যায়ৰ নিয়মীয়া আদান-প্ৰদান অব্যাহত ৰখাৰ লগতে গ্লোবেল ছাউথৰ দায়বদ্ধতা, আফ্ৰিকাৰ বাবে থকা নীতি আৰু সাগৰ দৃষ্টিভংগীৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰাধিকাৰ প্ৰতিফলিত কৰিব। ভাৰত আৰু মৰিছাছে দীৰ্ঘদিনৰে পৰাই দুয়োখন দেশৰ মাজত ঐতিহাসিক, সাংস্কৃতিক আৰু পৰম্পৰাগত সম্বন্ধক বৰ্তাই ৰাখিছে আৰু বিভিন্ন ক্ষেত্ৰত সহযোগিতা অব্যাহত ৰাখিছে। বিদেশ সচিবগৰাকীৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্বন্ধ আৰু প্ৰসাৰিত কৰাৰ সুবিধা প্ৰদান কৰিব।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি এলানি কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে পশ্চিমবংগলৈ যাব। শ্ৰীশ্বাহে কাইলৈ দাৰ্জিলিঙৰ শিলিগুৰিত  সশস্ত্ৰ সীমা বলৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। সশস্ত্ৰ সীমা বলে নেপাল আৰু ভূটান সীমান্ত ৰক্ষাত বিশেষ ভূমিকা পালন কৰি আহিছে।

০০০০০

অসমৰ চাহ জনগোষ্ঠীয় লোকসকলৰ বৰ্ণাঢ্য সংস্কৃতিৰ অন্যতম ঝুমুৰ নৃত্যক বিশ্ববাসীৰ সৈতে সৈতে পৰিচয় কৰাই দিয়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ উদ্যোগত অহা বছৰৰ ২৪ ফেব্ৰুৱাৰীত সৰুসজাই ক্ৰীড়া প্ৰকল্পত **ঝুমুইৰ বিনন্দিনী** শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত কালি অসমৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাৰ সভাপতিত্বত আয়োজিত এখন সভাত চাহ জনগোষ্ঠীয় সংস্কৃতিৰ সৈতে জড়িত কেইবাগৰাকী লোকশিল্পী, বিশেষজ্ঞ, ওজা প্ৰশিক্ষকৰ লগতে কেইবাটাও চৰকাৰী বিভাগৰ বিষয়াসকলৰ সৈতে আলোচনা কৰা হয়। বিশ্ব অভিলেখ সৃষ্টিৰ লক্ষ্যৰে আয়োজন কৰা এই অনুষ্ঠানত ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ ৭ হাজাৰ ৫০০ গৰাকী পুৰুষ আৰু মহিলা নৃত্য শিল্পীয়ে অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী জৰ্জ কোৰিয়ানৰ বাসগৃহত খ্ৰীষ্টমাছৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীয়ে এই কাৰ্যসূচীত খ্ৰীষ্টান সম্প্ৰদায়ৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ সৈতেও মত বিনিময় কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ডিচেম্বৰত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ ১৮০০ ১১ ৭৮০০ টোল ফ্ৰী নম্বৰলৈ প্ৰেৰণ কৰিব পাৰে। নমো এপ' নাইবা মাই গভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। অহা ২৭ ডিচেম্বৰ পৰ্যন্ত মতামত আৰু পৰামৰ্শসমূহ প্ৰেৰণ কৰিব পাৰিব। এই অনুষ্ঠানত আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপত উপলব্ধ হ'ব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগে এই অনুষ্ঠান লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অহা বছৰ বিশ্ব পেৰা এথলেটিকছ চেম্পিয়নশ্বিপ অনুষ্ঠিত কৰা হ'ব। বিশ্ব পেৰা এথলেটিকছে কালি ঘোষণা কৰা মতে ভাৰতত প্ৰথমবাৰৰ বাবে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা বছৰৰ ২৬ ছেপ্তেম্বৰৰ পৰা ৫ অক্টোবৰলৈ এই প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। এয়া হ'ব প্ৰতিযোগিতাখনৰ দ্বাদশ সংস্কৰণ। চতুৰ্থবাৰৰ বাবে এছিয়া মহাদেশত  আয়োজন কৰা এই প্ৰতিযোগিতা ইয়াৰ পূৰ্বে ২০১৫ চনত দোহাত ২০১৯ত ডুবাই আৰু এই বছৰ কোবেত অনুষ্ঠিত হৈছিল। ভাৰতৰ ৰাজধানী চহৰখনত ইয়াৰ লগতে অহা বছৰ প্ৰথমবাৰৰ বাবে ১১ৰ পৰা ১৩ মাৰ্চলৈ বিশ্ব পেৰা এথলেটিকছ গ্ৰেণ্ড প্ৰিক্‌ছ অনুষ্ঠিত হ'ব।

০০০০০

মহিলাৰ টি টুৱেণ্টি ক্রিকেটত যোৱা নিশা মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ভাৰতে ৱেষ্ট ইণ্ডিজক ৬০ ৰানৰ ব্যৱধানত পৰাস্ত কৰি ২-১ ফলাফলেৰে শৃংখলা দখল কৰে। কালিৰ খেলখনত প্ৰথমে বেট ধৰি ভাৰতীয় দলটোৱে চাৰিটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত ২০ অভাৰত ২১৭ ৰান সংগ্ৰহ কৰে। খেলখনত স্মৃতি মান্ধনাই ৪৭টা বলত ৭৭ ৰান আৰু ৰিচা ঘোষে ২১টা বলত ৫৪ ৰানৰ বৰঙণি আগবঢ়ায়। মাত্ৰ ১৮টা বলতে অৰ্ধশতক ৰান সংগ্ৰহেৰে ৰিচা ঘোষে মহিলাৰ টি-২০ত দ্ৰুততম অৰ্ধ শতকৰ বিশ্ব অভিলেখৰ খিতাপ দখল কৰে। খেলখনত ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৫৭ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ ৰাধা যাদৱে ৪টা উইকেট দখল কৰে। ৰিচা ঘোষে প্লেয়াৰ অৱ দ্য মেচ সন্মান লাভ কৰে আৰু স্মৃতি মান্ধনাক প্লেয়াৰ অৱ দ্য ছিৰিজ সন্মান প্ৰদান কৰা হয়।

০০০০০

হায়দৰাবাদত কাইলৈ বংগ আৰু দিল্লীৰ মাজত হবলগীয়া বিজয় হাজাৰে ট্ৰফীৰ উদ্বোধনি মেচখনত মহম্মদ শ্বামীয়ে নেখেলে বুলি বংগ ক্ৰিকেট সংস্থাই কালি ঘোষণা কৰিছে। ২০২৩ চনৰ এদিনীয়া বিশ্বকাপত শেষবাৰৰ বাবে ভাৰতৰ হৈ খেলা স্বামীয়ে শেহতীয়াকৈ এটা অস্ত্ৰোপচাৰ কৰোৱাবলগীয়া হৈছিল যদিও মধ্যপ্ৰদেশৰ বিৰুদ্ধে বংগৰ ৰঞ্জি ট্ৰফী জয়ৰ খেলখনত ৭টা উইকেট দখল কৰিছিল। চৈয়দ মুস্তাক আলী টি-২০ ট্ৰফী প্ৰতিযোগীতাত খেলুৱৈগৰাকীয়ে ১১খন খেলত ৯টা উইকেট দখল কৰিছিল। ভাৰতীয় ক্ৰিকেট দলটোৰ অধিনায়ক ৰোহিত শৰ্মাই কয়, যে অষ্ট্ৰেলিয়া ভ্ৰমণত দলটোত যোগদান কৰাৰ বাবে স্বামীৰ ফিটনেছ ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীৰ অনুমতিৰ ওপৰত নিৰ্ভৰ কৰিব।

০০০০০

**সমাপ্ত**